# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 18-05-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাৰ বাৰ্তা বিশ্বৰ বিভিন্ন দেশত বিলাবলৈ ভাৰতৰ সাংসদৰ সৰ্বদলীয় এটা দল বিশ্বৰ ভিন্ন দেশলৈ যাবলৈ সাজু হৈছে। ৫১ জনীয়া দলটোক কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ৭ টা গোটত ভাগ কৰি প্ৰতিটো গোট কোন কোন দেশলৈ যাব, তাৰ তালিকা প্ৰকাশ কৰিছে। সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰা অনুসৰি ৭ টা দলক – বিজেপি সাংসদ বৈজয়ন্ত পাণ্ডা, ৰবিশংকৰ প্ৰসাদ, জে ডি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝা, শিৱসেনাৰ সাংসদ শ্ৰীকান্ত একনাথ সিন্দে, কংগ্ৰেছ সাংসদ শশী থাৰুৰ, ডি এম কেৰ সাংসদ কানিমুঝি আৰু এন চি পি শাৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া ছুলেই নেতৃত্ব দিব। ৭টা গোটৰ প্ৰতিনিধি দলটোত অসমৰ দুগৰাকীকৈ সাংসদ অন্তৰ্ভুক্ত হৈছে। কংগ্ৰেছ সাংসদ শশী থাৰুৰে নেতৃত্ব দিবলগীয়া দলটোত অসমৰ সাংসদ ভুৱনেশ্বৰ কলিতা অন্তৰ্ভুক্ত হৈছে। শশী থাৰুৰ নেতৃত্বত ৯ জনীয়া এই গোটটোৱে আমেৰিকা, পানামা, গুয়ানা, ব্ৰাজিল আৰু কলম্বিয়া ভ্ৰমণ কৰিব। একেদৰে জে ডি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝায়ে নেতৃত্ব দিবলগীয়া ৯জনীয়া সাংসদৰ প্ৰতিনিধিৰ দলটোত অসমৰ বিজেপি সাংসদ প্ৰদান বৰুৱা অন্তৰ্ভুক্ত হৈছে। এই গোটটোৱে ইণ্ডোনেছিয়া, মালয়েছিয়া, কোৰিয়া গণৰাজ্য, জাপান আৰু ছিংগাপুৰ ভ্ৰমণ কৰিব। সাংসদৰ সৰ্বদলীয় দলৰ ৭টা গোটে ৩ জুনত যাত্ৰা আৰম্ভ কৰিব।

০০০০০

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বিনিয়োগ আৰু বিকাশৰ চুক্তিপত্ৰ বিনিময় অনুষ্ঠান ৰূপায়ণ হয়। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত দিয়া প্ৰতিশ্ৰুতি অনুসৰি ৰূপায়ণ হোৱা এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, উদ্যোগ মন্ত্ৰী বিমল বৰা সহ ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও উচ্চপদস্থ বিষয়াসকলৰ লগতে বিনিয়োগকাৰীসকল উপস্থিত থাকে। এই অনুষ্ঠানতে ৰাজ্য চৰকাৰ আৰু বিনিয়োগকাৰীসকলৰ মাজত ২২ হাজাৰ ৮৯৯ কোটি টকাৰ চুক্তিৰ বিনিময় সম্পন্ন হয়। এই বিনিয়োগৰ দ্বাৰা ৰাজ্যত প্ৰায় ছহেজাৰ নতুন নিয়োগ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই বিনিয়োগ আৰু বিকাশৰ চুক্তিপত্ৰ বিনিময় অনুষ্ঠানত ভাষণ আগবঢ়াই কয়, যে ৰাজ্যত উদ্যোগীকৰণৰ লক্ষ্যৰে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ অনুষ্ঠিত হৈছিল। এডভাণ্টেজ আছামৰ এই সংস্কৰণৰ জৰিয়তে ৫ লাখ ১৮ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰ হৈছিল। আজিৰ অনুষ্ঠানত ২০ টা প্ৰকল্পৰ বিনিয়োগৰ চুক্তি পত্ৰৰ বিনিময় হয়। ইয়াৰে তিনিটা ইথানল প্ৰকল্পৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। দুহেজাৰ ৮০০ কোটি টকাৰে তিনিটা চিমেণ্ট প্ৰস্তুত প্ৰকল্পৰো কাম আৰম্ভ হৈছে। অসমত প্ৰথমটো পাম ষ্টৰেজৰ বাবেও নিপকোৰ সৈতে চুক্তিত স্বাক্ষৰ হৈছে। চুক্তি স্বাক্ষৰিত হোৱা বহুকেইটা উদ্যোগ এইবছৰৰ শেষৰফালে মুকলি হ'ব। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণে ৰাজ্যৰ যুৱক-যুৱতীসকলক কেনেদৰে আগুৱাই নিছে, সেইবিষয়ে ড° শৰ্মাই ভাষণত এনেদৰে উল্লেখ কৰে।

এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম ভ্ৰমণ কৰি ৰিং ৰোডৰ আধাৰশিলা স্থাপন কৰিব। এই ৰিং ৰোডৰ নিৰ্মাণ ব্যয় প্ৰায় ৭ হাজাৰ ৮০০ কোটি টকা। অনুষ্ঠানটোত ভাগ লৈ উদ্যোগ মন্ত্ৰী বিমল বৰাই কয়, যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণে অসমৰ ঔদ্যোগিক ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰিছে। ইয়াৰ দ্বাৰা অসমৰ নৱ প্ৰজন্ম আত্মনিৰ্ভৰশীল হ'ব পৰাকৈ পথ মুকলি হ'ব। দেশে-বিদেশে অসমৰ ঔদ্যোগিক বাৰ্তা প্ৰেৰণ কৰিবলৈ এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণে সহায় কৰিলে। মন্ত্ৰীগৰাকীয়ে লগতে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিৰ অধীনত ৰাজ্যৰ ২৫ হাজাৰ যুৱক-যুৱতী অন্তৰ্ভুক্ত হ'ল বুলি প্ৰকাশ কৰে।

ooooo

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যান  বিভাগৰ মন্ত্ৰী  ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলাৰ চিচিমুখত ব্ৰহ্মপুত্ৰ আৰু জিয়াঢল নৈৰ গৰাখহনীয়া পৰিদৰ্শন কৰে। ডাঃ পেগুৱে বানত ক্ষতিৰ আশংকা থকা মথাউৰিৰ অংশসমূহ চিনাক্ত কৰি আগতীয়াকৈ সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগৰ কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ গ্ৰেজিং, গেৰজাই, জন্মিচুক, আৰু তাপিতগাওঁত গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ফ্লাড ড্ৰীল আঁচনিৰ অধীনত তাৎক্ষণিকভাৱে ব্যৱস্থা লোৱা হ'ব বুলি উল্লেখ কৰে। তেওঁ খহনীয়া প্ৰতিৰোধৰ বাবে মিছিং স্বায়ত্ত শাসিত পৰিষদে গ্ৰহণ কৰা ব্যৱস্থাৰ সুফল প্ৰত্যক্ষ কৰি পৰিষদৰ কাম-কাজৰ শলাগ লয়।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৩০ মিনিটৰ সংবাদ চলন্তিকাত অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন গোস্বামীৰ সৈতে কথোপকথন প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

ৰাজস্থানৰ চৱাই মানসিং ষ্টেডিয়ামত আজি অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাব  কিংছে ৰাজস্থান ৰয়েলছৰ বিপক্ষে টছত জিকি প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেটৰ বিনিময়ত ২১৯ ৰাণ সংগ্ৰহ কৰে। পাঞ্জাব কিংছৰ হৈ নেহাল ৱাধেৰাই সৰ্বাধিক ৭০ ৰাণ আৰু শশান্ত সিঙে ৫৯ ৰাণ কৰি অপৰাজিত হৈ ৰয়।

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ